**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-10-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***
-----------------------------

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছিয়াৰ কাজানত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সুযোগতে চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত টহল ব্যৱস্থাপনা সন্দৰ্ভত দুয়োখন দেশ এখন চুক্তিত উপনীত হোৱাৰ পৰিপ্ৰেক্ষিতত এই বৈঠক বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। প্ৰধানমন্ত্ৰী মোদী আৰু চীনৰ ৰাষ্ট্ৰপতিৰ মাজত  বিগত ২২ বছৰত এয়া প্ৰথমখন সুপৰিকল্পিত বৈঠক হ'ব। ইয়াৰ পূৰ্বে দুয়োগৰাকী নেতা ২০২৩ বৰ্ষত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ আপাহতে বৈঠকত মিলিত হৈছে আৰু বৈঠকত শ্ৰীমোদীয়ে ভাৰত-চীন সীমান্ত এলেকাৰ পশ্চিম খণ্ডৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ অমীমাংসিত বিষয়সমূহক লৈ উদ্বেগ প্ৰকাশ কৰিছিল। শ্ৰীমোদীয়ে ব্ৰিকছ্ শীৰ্ষ সন্মিলনক সম্বোধন কৰিব। শ্ৰীমোদীয়ে কালি ৰাছিয়া আৰু ইৰাণৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। বৈঠকত শ্ৰীমোদীয়ে দেশ দুখনৰ বিষয়সমূহ শান্তিপূৰ্ণ পন্থাৰে সমাধানৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। শ্ৰীপুটিনৰ সৈতে হোৱা বৈঠকত প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাছিয়া-ইউক্ৰেইনৰ মাজৰ সংঘাতৰ শান্তিপূৰ্ণ সমাধানত সহায় কৰিবলৈ ভাৰত সাজু। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে ইউক্ৰেইনৰ নেতৃবৰ্গৰ সৈতে হোৱা বৈঠকৰ বিষয়ে পুটিনক অৱগত কৰে আৰু ভাৰত অঞ্চলটোৰ শান্তি ঘূৰাই অনাৰ বাবে অৱদান আগবঢ়াবলৈ আগ্ৰহী বুলি প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে ইৰাণৰ ৰাষ্ট্ৰপতি মছুদ পেজেশ্বকিয়নক সাক্ষাৎ কৰে আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিক লৈ আলোচনা কৰে। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কয় যে বৈঠকত শ্ৰীমোদীয়ে বৰ্ধিত উত্তেজনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু অসামৰিক লোকসকলৰ সুৰক্ষাৰ আৱশ্যকতা সন্দৰ্ভত ভাৰতৰ দৃষ্টিভংগীৰ কথা দোহাৰে। তেওঁ লগতে উত্তেজনা হ্ৰাস কৰাৰ বাবে আলোচনা আৰু কূটনৈতিক পন্থাৰ আৱশ্য কৰা বিষয়ে গুৰুত্ব আৰোপ কৰে। শ্ৰীমিশ্ৰীয়ে কয় যে দুয়োগৰাকী নেতাই আফগানিস্তানৰ বিষয়েও আলোচনা কৰে আৰু দেশখনৰ জনসাধাৰণলৈ মানৱীয় সাহায্য অব্যাহত ৰখাৰ লগতে অঞ্চলটোত শান্তি, সুস্থিৰতা বৰ্তাই ৰখাত গুৰুত্ব আৰোপ কৰে।

শ্ৰীমোদীয়ে লগতে ইৰাণৰ সৈতে থকা প্ৰাচীন দ্বিপাক্ষিক সম্পৰ্কক গভীৰ কৰি তুলিবলৈ ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে প্ৰকাশ কৰে। বিদেশ সচিবগৰাকীয়ে লগতে কয় যে দুয়োগৰাকী নেতাই ছাবাহাৰ বন্দৰ আৰু আন্তঃৰাষ্ট্ৰীয় উত্তৰ-দক্ষিণ পৰিবহন কৰিড'ৰকে ধৰি সহযোগিতাৰ বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰ সম্পৰ্কে আলোচনা কৰে।

০০০০০০০

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দেই আজি কামাখ্যা মন্দিৰ দৰ্শন কৰি মাৰ আশিস গ্ৰহণ কৰে। মহাৰাষ্ট্ৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে মা কামাখ্যাৰ আশিস লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীগৰাকীয়ে কালি বিশেষ

বিমানযোগে গুৱাহাটীত উপস্থিত হয়। আজি পুৱাৰ ভাগত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে সমাগত নিৰ্বাচনত তেওঁলোকৰ মিত্ৰজোঁটে জয়লাভ কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

অসম দক্ষতা বিশ্ববিদ্যালয়ক বিশ্ববিদ্যালয় অনুদান আয়োগে স্বীকৃতি প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কয় যে ৰাজ্যৰ যুৱশক্তিৰ দক্ষতা বিকাশ অৰ্থে অসম দক্ষতা বিশ্ববিদ্যালয়ে নিত্য নতুন কৌশল অৱলম্বন কৰিছে। ৰাজ্যৰ যুৱক-যুৱতীসকলক কাৰিকৰী শিক্ষা বা দক্ষতা বিকাশৰ দিশত ভূমিকা গ্ৰহণ কৰাৰ লগতে ইউ জি চিৰ স্বীকৃতিয়ে বিশ্ববিদ্যালয়খনৰ পাঠ্যক্ৰমৰ বিশ্বাসযোগ্যতা বৃদ্ধি কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ নেচনেল ষ্টেডিয়ামত আজিৰে পৰা ভাৰত আৰু জাৰ্মানীৰ মাজৰ বহু অপেক্ষিত দ্বিপাক্ষিক হকী শৃংখলা আৰম্ভ হ'ব। খেলখন দিনৰ ৩ বজাত আৰম্ভ হ'ব। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত এটা দশকৰ পাছত আন্তঃৰাষ্ট্ৰীয় হকী খেল অনুষ্ঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত এই শৃংখলা বিশেষ ৰূপে পৰিগণিত হৈছে। হৰমনপ্ৰীত সিং নেতৃত্বাধীন ভাৰতীয় দলটো শৃংখলাত বৰ্তমানৰ বিশ্ব চেম্পিয়ন আৰু পেৰিছ অলিম্পিকত ৰূপৰ পদক বিজেতা জাৰ্মানীৰ বিৰুদ্ধে দুখন খেলত অৱতীৰ্ণ হ'ব। ইপিনে হকী ইণ্ডিয়াই ডিজিটেল টিকট প্ৰণালীৰ মাধ্যমেৰে ষ্টেডিয়ামত দৰ্শকৰ বাবে বিনামূলীয়া প্ৰৱেশৰ কথা ঘোষণা কৰিছে। হকীৰ অনুৰাগীসকলে ডী ডী স্পৰ্টছ্ চেনেলৰ যোগেও খেলখনৰ পোনপটীয়া সম্প্ৰচাৰ চাব পাৰিব।

০০০০০০০

সশস্ত্ৰ সীমা বল গুৱাহাটীৰ ফ্ৰণ্টিয়াৰ কাৰ্যালয়ে কাইলৈৰ পৰা অষ্টাদশ এছ্ এছ্ বি আন্তঃফ্ৰণ্টিয়াৰ বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। কামৰূপ মহানগৰ জিলাৰ সোণাপুৰ কুমাৰকুচিত থকা লক্ষ্মীবাঈ নেচনেল ইনষ্টিটউট অৱ ফিজিকেল এডুকেশ্বনত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ২৭ অক্টোবৰত প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০০০

দৰং জিলাৰ মঙলদৈ ৰাজাপাম ৯ নম্বৰ ৱাৰ্ড নিবাসী ফৰেনচিক বিভাগৰ বিশেষজ্ঞ চিকিৎসক তথা বিশ্বনাথ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া হিচাপে কৰ্মৰত ডা০ মণিদ্বীপ ৰায় ডেকাৰ যোৱানিশা তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৯ বছৰ।

০০০০০০০

সমাপ্ত